## মাত্ৰা ঃ

ছন্দৰ আলোচনাত মাত্ৰাৰ ধাৰণা বিশেষ গুৰুত্বপূৰ্ণ। এই আলোচনাত এটা অক্ষৰৰ উচ্চাৰণৰ কাল বা সময়কে মাত্ৰা বোলা হয়। মাত্ৰাৰ হিচাপত হ্ৰস্ব অক্ষৰৰ উচ্চাৰণ-কাল এক মাত্ৰাৰ আৰু দীৰ্ঘ অক্ষৰৰ উচ্চাৰণ-কাল দুই মাত্ৰাৰ। এইখিনিতে উল্লেখ কৰিব লগা যে সংস্কৃত ভাষাত হ্ৰস্ব-দীৰ্ঘৰ উচ্চাৰণৰ নিয়ম কটকটীয়া। গতিকে সংস্কৃত ভাষাত সেই নিয়ম অনুসাৰে মাত্ৰা গণনা কৰা হয়। কিন্তু অসমীয়াত হ্ৰস্ব-দীৰ্ঘৰ উচ্চাৰণৰ পাৰ্থক্য বিশেষ নাই। সেয়ে অসমীয়াত অক্ষৰৰ হ্ৰস্ব-দীৰ্ঘৰ বিন্যাসৰো কোনো ধৰাবন্ধা নিয়ম নাই। অসমীয়া ভাষাৰ সংযুক্তাক্ষৰৰ উচ্চাৰণৰ ক্ষেত্ৰত মন কৰিলে দেখা যায় যে সংযুক্তাক্ষৰ অৰ্থাৎ যুগ্ম ধ্বনিৰ আগৰ অক্ষৰৰ উচ্চাৰণ সামান্য দীৰ্ঘ হয়। সেইবাবে অসমীয়া ভাষাত সংযুক্তাক্ষৰৰ আগৰ অক্ষৰৰ মাত্ৰা দুই মাত্ৰিক বুলি ধৰা হয়। যথা —

। । । । ।।   । । ।  ।। ।

কাঢ়িলা কবিৰ | শাণিত খড়্গ

। । । । । ।   । । ।  ।। ।

হৰিলা কবিৰ | শোণিত হৰ্ষ

ওপৰৰ উদাহৰণটোত ‘খড়্গ’ শব্দৰ ‘ড়্গ’ যুক্তাক্ষৰৰ আগৰ ‘খ’ আৰু ‘হৰ্ষ’ শব্দৰ ‘ৰ্ষ’ যুক্তাক্ষৰৰ আগৰ ‘হ’ৰ উচ্চাৰণ দীৰ্ঘ হিচাপে উচ্চাৰিত হৈছে। গতিকে মাত্ৰাৰ হিচাপত সেই অক্ষৰসমূহ দুই মাত্ৰা বুলি ধৰা হৈছে। কিন্তু সকলো সময়ত সি দ্বিমাত্ৰিক হিচাপে উচ্চাৰিত নহ’বও পাৰে । উদাহৰণস্বৰূপে,

। । । ।  । । । ।  ।।  । । । ।

“সন্ধিয়াৰ আকাশৰ সৰু তৰাটিৰ

। । ।।  । ।  । । । ।

সাদৰৰ শেষ আৱাহন।”

—এই কবিতাফাকিৰ ‘সন্ধিয়াৰ’ শব্দটোৰ ‘ন্ধ’ যুক্তাক্ষৰৰ আগত ‘স’ আছে যদিও তাৰ উচ্চাৰণ দীৰ্ঘ হোৱা নাই। আনহাতে,

। ।  । ।  ।। । ।  । ।। ।

“তেওঁ কোন নিষ্ঠুৰ অনঙ্গ”

— এই পদ্যত থকা ‘নিষ্ঠুৰ’ শব্দৰ ‘নি’ আৰু ‘অনঙ্গ’ শব্দৰ ‘ন’ৰ উচ্চাৰণ কিঞ্চিৎ দীৰ্ঘ হিচাপে উচ্চাৰিত হৈছে।

প্ৰকৃততে, মাত্ৰাৰ লেখেৰে হিন্দী আদি কিছুমান ভাষাৰ ক্ষেত্ৰতহে হ্ৰস্ব-দীৰ্ঘ আদি অক্ষৰৰ যথাযথ উচ্চাৰণ মানি চলা হয়। পুৰণি ব্ৰজাৱলী ঠাঁচত লিখা গীত, ভটিমা আদিৰ বাহিৰে প্ৰকৃত গুৰু-লঘু বা হ্ৰস্ব-দীৰ্ঘ হিচাপ অনুসৰি নিৰ্ধাৰণ কৰা মাত্ৰাৰ লেখ অসমীয়া ভাষাত দেখুৱাবলৈ কঠিন। ব্ৰজাৱলী ভাষাতো সংস্কৃতৰ দৰে অক্ষৰৰ গুৰু-লঘু বা হ্ৰস্ব-দীৰ্ঘৰ কোনো কটকটীয়া বান্ধোন নাই। ছন্দৰ প্ৰয়োজন অনুসৰিহে গুৰু-লঘু কৰিব লগা

হয়। আধুনিক অসমীয়া ভাষাত আয়াসবিমুখ অর্থাৎ বিলম্বিত লয়যুক্ত মাত্ৰাবৃত্ত তথা বলবৃত্ত ছন্দতহে মাত্ৰাৰ লেখ যৎসামান্য দেখা যায়। উদাহৰণস্বৰূপে, মাত্ৰাবৃত্ত ছন্দৰ অন্তৰ্গত ষড়মাত্ৰাযুক্ত তলৰ কবিতাৰ পংক্তি দুটা চোৱা যাওক —

(ক) | | | | ||   | | | | | |   | | | | | |   | |
এইতো নহয় | হাঁহি তামাচাৰ | ভাগৰ জুৰোৱা | গান
| | | | | |   | | | | | |   || | | | |   | |
ইযে) জীৱন মৰণ | একাকাৰ কৰা | অগ্নি বীণাৰ | তান

(খ) | | | | | |   | | | | | |   | | || | |   ||
লাচিত ফুকন | লাচিত ফুকন | মোৰ স্বদেশৰ | বীৰ
| | | | | |   | | | | | |   | | | | | |   | |
দেশৰ কাৰণে | তাহানি এদিন | যাচিলা নিজৰ | শিৰ

এনেদৰে মাত্ৰাবৃত্ত ছন্দযুক্ত উল্লিখিত উদাহৰণকেইটাত মাত্ৰাৰ যথাযথ স্পন্দন-বৈচিত্ৰ্যত বজ্ৰনিৰ্ঘোষপূৰ্ণ মৰ্মবাণী বাজি উঠিবলৈ সক্ষম হৈছে।